
# NEWS LETTER

**VOL. 2 (2016-2017)**

## DULIAJAN COLLEGE LIBRARY



*From Principal's Desk :*



**POWER OF BOOKS**

*Nobody can ignore the influence of a great book in his life. It can remove the ignorance from his mind. It is so powerful that this can change the mind-set of a reader. More so, it might be the powerful agent of social change. Perhaps, realising this truth, Malala Usufjai, in her famous maiden speech, in the General Assaembly of United Nations Organisation as its Brand Ambassador, rightly said –" a child, a book, and a teacher can change the whole world." Obviously, these are the most important instruments for changing the whole world. Among these three, a book is undoubtedly unique and important one. So, the readers should go to the library in search of a good book.*

*It is also fact that, if the library is the store of books, the books are the store of knowledge. A sensitive and serious reader can suck out the best elements from the books. So the books are treated as the most important invention of human civilization. In a sense, the books are considered as the bee-hives from which readers can earn knowledge easily.*

*It has to be mentioned here that books are the best friend of human beings. But, it is equally true that making of friendship with books is not an easy matter. If somebody can do this, he or she would be the luckiest man or woman of the world.*

*Books are also considered as the mental medicine to mental malody. The individuals, those who suffer from alienation, may take resort to good books. These can certainly give them relaxation from mental stress.*

*Of course, the selection of a good book is not an easy thing. So the readers can take the help of elders, studious readers, librarians, publishers, prominent writers, intimate friends etc.*

*Be that as it may, the books are the most powerful instrument's for developing one's own personality. Hence, let us come forward to make friends with the books.*

*- Dr. S. N. Gogoi*


***Editorial Board***

Adviser :

**Dr. Surendra Nath Gogoi**

President :

**Dr. Likhon Ch. Bora**

Editor :

**Mrs. Mondira Chutia**

Members :

**Mrs. Jyotimali Mahanta**

**Sri Hemanta Das**

**Sri Parag Saikia**


এখন ভাল কিতাপ এশজন ভাল বন্ধুৰ সমান, কিন্তু এজন ভাল বন্ধু এটা লাইব্ৰেৰীৰ সমান।

- এ.পি.জে. আব্দুল কালাম

# কিতাপ পঢ়ো আহাঁ।



মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে বাৰু আজিলৈকে কোনে কিমানখন কিতাপ পঢ়িছাহঁক। পিতৃ-মাতৃৰ মৰমৰ উমত ডাঙৰ হৈ যিদিনা তোমালোক অ, আ, ক, খ শিকিবলৈ পঢ়াশালিত নাম ভৰ্তি কৰিলা সেইদিনটোৰ পৰাই কিতাপ পঢ়াটো তোমালোকৰ বাবে বাধ্য - বাধকতাত পৰিণত হ'ল নহয় জানো ? এদিন নাৰ্ছাৰী এৰি কোনোবাই ১ম শ্ৰেণীত (অসমীয়া মাধ্যমত) আৰু কোনেৰে হয়তু ক্লাছ ওৱানত (ইংৰাজী মাধ্যম) নাম ভৰ্তি কৰিলা আৰু আজি বিদ্যালয় এৰি মহাবিদ্যালয়ত খোজ পেলালা। এই গোটেই দীঘলীয়া সময়খিনিত তোমালোকে পঢ়াশালিৰ পাঠ্যপুথিৰ উপৰি কোনে কেইখন বাহিৰা কিতাপ, আলোচনী, পঢ়িলা তাৰ হিচাপ ৰাখিছানে ? হয়তু কোনোবাই ৰাখিছা বা কোনোবাই নাই ৰখা। কিন্তু তোমালোকে পঢ়িছা বুলি মোৰ ধাৰণা। বাৰু, আমিনো কিতাপ কিয় পঢ়িব লাগে বা কিয় পঢ়ো? ছাত্ৰ - ছাত্ৰী হিচাপে পৰীক্ষাৰ বাবে পাঠ্যপুথি পঢ়া - শুনা কৰাটো তোমালোকৰ কৰ্তব্য। কিন্তু বাহিৰা বিভিন্ন ধৰণৰ গল্প, উপন্যাস, কবিতা, প্ৰবন্ধ, আলোচনী আদি আমি কিয়



পঢ়িব লাগে? মনিষী সকলৰ মতে যোগ ব্যায়মৰ দ্বাৰা যেনেদৰে শাৰীৰিক উৎকৰ্ষ সাধন কৰিব পাৰি, কিতাপ পঢ়ি ও আমি আমাৰ মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধন কৰিব পাৰো। আমাৰ উপৰিপুৰুষ বা বৰ্তমানৰ গুণী জ্ঞানী ব্যক্তিসকলে তেওঁলোকৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতা আৰু পঢ়া শুনা কৰি অৰ্জা বহুমূলীয়া জ্ঞান - ভাণ্ডাৰ আমাৰ বাবে কিতাপ আকাৰে লিখি থৈ গৈছে। সেই কিতাপত থকা আপুৰুগীয়া মণি - মুকুতাসদৃশ কথাবোৰ পঢ়ি - শুনি আমিবোৰে আমাৰ জীৱনত দৰকাৰী কথাবোৰ নিশ্চয় আয়ত্ব কৰিব পাৰোহঁক। জীৱনৰ কষ্টময় পথবোৰ পাৰ হ'বলৈ এই মনিষীসকলৰ অভিজ্ঞতাপুষ্ট কথাবোৰে আমাক সদায় সৎ-সাহস দিব বুলি মোৰ বিশ্বাস।

বৰ্ত্তমানৰ পৃথিৱীখন যান্ত্ৰিকতাৰে ভৰা; য'ত কাৰোবাবে কোনেও চিন্তাও নকৰে বা কাৰোবাবে কোনো ৰৈয়ো নাথাকে। সকলোৱে নিজৰ নিজৰ পথত গতিমান। গতিকে তোমাৰ যাত্ৰাপথত কেতিয়াবা যদি তোমাৰ জীৱনত বিভ্ৰান্তিকৰ কোনো ঘটনাই তোমালোকক বিচলিত কৰে তোমাৰ আত্মীয়স্বজন আৰু শুভাকাংক্ষীসকলৰ পিছতেই তোমাক প্ৰকৃত পথ দেখুৱাব এই কিতাপসমূহে। গতিকে আমি কিতাপ পঢ়াটো আমাৰ দৈনন্দিন কামৰ ভিতৰত এটা বুলি ধৰিব লাগে। তাৰবাবে



তোমালোকক লাগিব এখন কৰ্ম আঁচনি। কাৰণ তোমালোক হৈছা আধুনিক জীৱন যাত্ৰা প্ৰণালীত অভ্যস্ত। আধুনিক জীৱন যাত্ৰাত আমাক প্ৰতিটো খোজ নিয়ন্ত্ৰিত কৰে মৰ্ডান টেকন'লজি যেনে, টি.ভি., কম্পিউটাৰ, ম'বাইল ইত্যাদি ইত্যাদিয়ে। গতিকে এইবোৰৰ ব্যৱহাৰৰ মাজে-মাজে তোমালোকে যদি দিনটোত এখন মূল্যৱান কিতাপৰ দুটা পৃষ্ঠাও পঢ়াৰ চেষ্টা বা মন কৰা দেখিবা সেই পৃষ্ঠাদুটাই সময়ত তোমালৈ বহুত উপহাৰ কঢ়িয়াই আনিছে।

কিতাপে মানুহক কেতিয়াও একাকীত্বত ভুগিবলৈ অৱকাশ নিদিয়ে বৰঞ্চ ই অকলশৰীয়া মুহূৰ্ততো এজন অতি ভাল বন্ধুৰ ভূমিকা পালন কৰে।

আজিকালি ল'ৰাৰ পৰা বুঢ়ালৈকে বিভিন্ন কাৰণত হতাশাত ভুগে, যাৰ ফলত মানুহে বহুতো নকৰিবলগীয়া কাম কৰি পেলায় বা কিছুমানে আত্মহত্যাৰ দৰে চৰম সিদ্ধান্তত উপনীত হয়। আমাৰ এই সকলো মানসিক হতাশা, দুখ, একাকীত্ব আমি কিতাপ পঢ়িয়েই আঁতৰাব পাৰো বুলি মোৰ বিশ্বাস। মাত্ৰ কিতাপবোৰ নিৰ্বাচন কৰাটো এটা গুৰুত্বপূৰ্ণ কথা। তুমি বা তোমালোকে কোনটো বয়সত কোনখন কিতাপ পঢ়িবা সেইয়া নিৰ্বাচন কৰোতে অলপ সাৱধান হোৱাতো একান্তই গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত তোমালোকে ডাঙৰৰ সহায় লোৱাতো প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত বহুতো মূল্যৱান কিতাপ ৰখা হৈছে। সেই কিতাপবোৰ তোমালোকে ঘৰলৈ নি বা গ্ৰন্থাগাৰতে পঢ়িব পাৰা। মহাবিদ্যালয়ত পঢ়ি থকা সময়খিনি মানুহৰ জীৱনৰ আটাইতকৈ আনন্দদায়ক আৰু গুৰুত্বপূৰ্ণ সময়। কাৰণ এই সময়খিনিৰ কাৰ্যপন্থাই তোমালোকক

ভৱিষ্যতৰ উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিব। এই দিনবোৰত খেলা-ধূলা, নৃত্য-গীত, মেল-মিটিং, পঢ়া-শুনা, সপোন-দিঠক, বন্ধুৰ সৈতে গল্প-গুজৱ মৰা সকলোখিনি কৰাৰ বাবে তোমালোকৰ শাৰীৰিক-মানসিক শক্তি অপৰিসীম। গতিকে তোমালোক কিয় পিছপৰি থাকিবা। ভৱিষ্যত সমাজৰ উত্তৰাধিকাৰী তোমালোক সকলো সম্ভাৱনাৰে মাত্ৰ আগুৱাই যোৱা। তোমালোকক বাট দেখুৱাই লৈ যাবলৈ তোমালোকৰ কাষত সদায়ে থাকিব শিক্ষাগুৰুসকল।

আমাৰ পুথিভঁৰালত থকা তোমালোকে পঢ়িবলগীয়া কেইখনমান কিতাপৰ নাম তলত সন্নিৱিষ্ট কৰিছো। পঢ়িবাছোন।

১। সাৱধি - সত্যনাথ বৰা।
২। কৰ্তব্যবোধ - ড° প্ৰফুল্ল কটকী (ছেমুৱেল স্মাইলছৰ বিখ্যাত গ্ৰন্থ Duty ৰ অসমীয়া অনুবাদ)
৩। অনুকৰণীয় ব্যক্তিত্ব আব্ৰাহাম লিংকন - ৰুণুমী শৰ্মা (লিংকন দ্য আননউন' গ্ৰন্থৰ মুকলি অনুবাদ)
৪। এন ফ্ৰাংকৰ ডায়েৰী - বাসন্তী লস্কৰ, গীতা উপাধ্যায়।
৫। নিজক নিজেই সলনি কৰক - ড° পাৰ্থ চট্টোপাধ্যায়।
৬। আপুনি আৰু আপোনাৰ ব্যক্তিত্ব - ড পাৰ্থ চট্টোপাধ্যায়।
৭। প্ৰজ্ঞাৰ সাধনা - হোমেন বৰগোহাঞি।
৮। আত্মানুসন্ধান - হোমেন বৰগোহাঞি।
৯। Self-help - Samual Smiles.
১০। জীৱনবোধ - ড° প্ৰফুল্ল কটকী (ছেমুৱেল স্মাইলছ)
১১। চৰিত্ৰবোধ - ড° প্ৰফুল্ল কটকী (ছেমুৱেল স্মাইলছ)
১২। হু মুভড্ মাই চীজ - অনুবাদ ঃ ফুলেশ্বৰী হাজৰিকা (ড° স্পেনছাৰ জনচন)




## Library Service : Information Literacy :

Information literacy means the ability to locate, process and use information effectively, equips individuals to take advantage of the opportunities inherent in the global information society.

According to Hannelore Rader, without information literacy skills, students will not be prepared to face the technological information age.

The aim of teaching of information literacy is to raise the level of competency for information retrieval, analysing and using. Information literacy also includes the knowledge of information and communication technology, systematic retrieval methods and databases search technologies.

The criteria of information literacy run as follows :

- Capability of recognising information needs.
- Capability of distinguishing suitable sources from inappropriate ones.
- Skills to formulate information needs and define the location of information.
- An understanding of the structure and characteristics of databases.
- Skills to use information and communication technology.
- Skills to evaluate the relevance of information retrieved from different sources.
- Information analysis skills.
- Skills to select and structure information, to quote and make references; awareness of copyright issues.
- And the most important thing, skills to synthesise retrieved information and creat new knowledge.

So, information literacy education is very important to transform the information society of today into the learning society of tomorrow. Across the world, educators in primary, secondary, tertiary and professional education contexts have been developing strategies and policies for designing, learning opportunities that will enable learners to take advantage of the information and communication infrastructures available to them.

## Different Activities of the library in the year 2016-2017.

### 1. Book Fair.



Book Fair is an event to develop a culture of reading among students teachers scholer researchers and adult people of the any community Book Fairs have a great role in promoting the reading habit among people of all age groups. Apart from promoting literacy and reading habit the fair presents a vast panorama of books on wide range of subjects in one place. So, Duliajan College library organises a book fair in every academic year so that our students, teachers and other book lover can purchase books according to their needs.

### 2. Library Orientation programme to new comers.



Orientation programme is "Primarily concerned with ways of introducing the user to the general techniques of library uses and services available and the organisation layout and facilities of a particular library." The orientation programme helps the users to make themselves familiar as how to use the library.

Our college library organises an orientation course to educate and to graw consciousness among the newly joined students about library services in every new session.

### 3. Celebration of librarians day.



Remembering the father of library sciences of India Dr. S.R. Ranganathan, Duliajan College celebrates librarians day in every year on 12th August.

Dr. S.R. Ranganathan was born on August 9, 1892 to Ramamirtam lyer and Sita Lakshmi Ammal at Shiyali.

After completing education in 1916. Rangnathan was appointed as assistant Lecturer in the Government college in Mangalore in 1917 and then he joined Presidency College in 1921. He taught Mathematics and Physics.

In January 1924, Dr. S.R. Ranganathan left presidency college and took charge of Madras University library as University librarian. He left for England in September 1925, to get trained in librarianship and completed a six month certificate course in library science.

On his return from London in 1925, he took immediate step to reorganize the University library to attract more readers and classified its contents on scientific basis. He started the library science department in the year 1931 at Madras University. Because of Dr. S.R. Rangnathan's interest Madras became the first state in our country to enact the Madras Public Library Act (1957) He was a professor of library science in Delhi University from 1947 to 1955. He was Chairman of the UGC library commission and started DRTC (Documentation Research and Training Centre) at Bangalore to

promote the research activities in the field of library and information science.

Dr. Ranganathan has written on almost all aspects of library science, such as library Administration, Classification, Cataloguing etc. He wrote Sixty books and 2000 articles. Having performed active library service for 21 years, Ranganathan sought voluntary retirement in 1945. He died on Sept. 28, 1972.

Dr. Ranganathan received D. Litt Degree from the Delhi and Pisttsburg Universities in recognition of Unique service to library science and was also the recipient of Rao Sahib and Padmashri awards from the Government of India.

India celebrates August 12 as librarians day in his honour.

## 4. Introduction of Barcode Technology in the library :




A barcode is an optical machine-readable representation of data, the data usually describe something about the object that carries the barcode. Barcodes originally were scanned by special optical scanners called barcode readers (https://en.wikipedis.org/wiki/barcode)

Barcode Technology plays an important role in automating of the library, especially the circulation. Its application increases the speed and accuracy in operations. The application of barcode technology in circulation system of a library and information technology is most successful due to its speed accuracy and reliability.

Duliajan college library have introduced barcode technology so that the library user can avail speedy and accurate services and save their precious time to devote for reading, writing, research and different project works.

## 5. Reorganised Internet Service :



Internet is a global network of internet connected computers where one compuer can be connected to any other computer in any part of the world. Internet has been the most useful technology of the mordern times which helps us not only in our daily lives but also our personal and professional lives developments. For the students and educational purposes the internet is widely used to gather information so as to do the research or add to the knowledge of any sort of subject day have. This is the easiest communication means like the internet chatting systems and the emails are the best and the most common for the maintaning contacts with the people around the world. The internet is therefore the largest encyclopedia for everyone in all age categories.


Duliajan college library have boosted the Internet service from one PC Desktop to five desktop for the user so that they can surf the internet and gather information relating to their choice of interest to prepare themselves for various examination by availing the library internet services. Library procures various paid websites for the clients without any extra charge.

সফলতা সদায় নিষ্ঠাৰে কৰা কামৰ পাছতহে আহে। কেৱল অভিধানতহে সফলতা (Success) শব্দটো কামৰ (Work) আগত থাকে।

- ভিডাল ছাচন

# পুথি পৰিচয় ঃ

## (ক) কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল।




অসমৰ সাহিত্য জগতৰ এগৰাকী একেধাৰে সাহিত্যিক, বিভিন্ন গ্ৰন্থৰ আৰু বাতৰিকাকতৰ সম্পাদক, সাংবাদিক শান্তনু কৌশিক বৰুৱাৰ সংকলিত আৰু সম্পাদিত "কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল" কিতাপখনি বহুতো তথ্য সম্বলিত এক আটক ধুনীয়া সংকলন।


শিলে শিলে ঘঁহনি খাই জুইৰ ফিৰিঙতি ওলোৱাৰ পৰা আজিৰ ইণ্টাৰনেটৰ যুগ লৈকে অসংখ্য আৱিষ্কাৰ তথা উদ্ভাৱনে আমাৰ দৈনন্দিন জীৱনত সততে ব্যৱহাৰ হোৱা নানান সামগ্ৰী আৱিষ্কাৰ উদ্ভাৱনৰ নেপথ্য কাহিনীৰ লগতে আন বহুবোৰ আৱিষ্কাৰ উদ্ভাৱনৰ নেপথ্য কাহিনী সন্নিৱিষ্ট, অজস্ৰ ছবিৰে সমৃদ্ধ এই সংকলন অসমীয়া সাহিত্যত অভিনৱ সংযোজন।

আমাৰ দৈনন্দিন জীৱনৰ অতিশয় প্ৰয়োজনীয় তিনি শতাধিক বিভিন্ন আৱিষ্কাৰ উদ্ভাৱনৰ নেপথ্য কাহিনীৰ সচিত্ৰ সংকলনটিৰ বিষয়সূচীখন অসমীয়া বৰ্ণমালাৰ ক্ৰম অনুসৰি সজাইছে যাতে পাঠকে নিৰ্দিষ্ট প্ৰসংগ এটা সহজে বিচাৰি উলিয়াব পাৰে। কিতাপখনিত আৱিষ্কাৰ সম্পৰ্কীয় তথ্যবোৰ বিভিন্ন প্ৰামাণিক উৎসৰ পৰা সংগ্ৰহ কৰি লিখকে কৌতুহলী পাঠকৰ মনৰ খোৰাক পূৰাব পৰাকৈ যুগুত কৰি উলিয়াইছে। যেনে আলট্ৰাছোনোগ্ৰাফী কোনে, কেতিয়া ক'ত আৱিষ্কাৰ হৈছিল যিটোৰ বাবে চিকিৎসা বিজ্ঞানত নতুন দিগন্তৰ সূচনা হৈছে। এণ্টিবায়টিক কোনে উলিয়ালে, ইয়াৰ কাম কি ? ইত্যাদি।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বুজি পোৱাকৈ সহজ ভাষাত লিখা কিতাপখনে তেওঁলোকৰ ছাত্ৰ জীৱনত লগা বহুতো তথ্য কিতাপখনৰ পৰা পাব। গতিকে মহাবিদ্যালয়ৰ পুথিভঁৰালত থকা কিতাপখন পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান, কলা আৰু বাণিজ্য সকলোধৰণৰ তথ্য পাবলৈ সমৰ্থ হ'ব।

## (খ) অসমৰ লোক-সংস্কৃতি - ২

লোক-সংস্কৃতিৰ অক্লান্ত সাধক, পণ্ডিত, কৃতী শিক্ষক চাও লোকেশ্বৰ গগৈদেৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমূহ জনগোষ্ঠীৰ লোক-সাংস্কৃতিক সমলবাজি অতি কষ্টেৰে উত্তৰ-পূৰ্বাঞ্চলৰ অনেক ভিতৰুৱা ঠাইলৈ গৈ মৌলিক উৎসৰ পৰা বুটলি আনিছে লোক-সংস্কৃতিৰ বিপুল সম্ভাৰ। তেখেতৰ দ্বাৰা সংগৃহীত লোক-সংস্কৃতিৰ অমূল্য সম্পদৰাজি গ্ৰন্থৰ আকাৰত খণ্ড খণ্ডকৈ প্ৰকাশ কৰি উলিয়াইছে ক্ৰান্তিকাল প্ৰকাশনে। ২৬ টাৰো অধিক অধ্যায়, সহস্ৰাধিক প্ৰবিষ্টিৰ লগতে তিনিশতাধিক আলোক চিত্ৰৰে অসমৰ লোক-সংস্কৃতিৰ দ্বিতীয় খণ্ডটি প্ৰকাশ হৈছিল ২০১১ চনত। কিতাপখনি ৭টা ভাগত ভাগ কৰি প্ৰত্যেক ভাগক আকৌ কেইবাটাও অধ্যায়ত বিভক্ত কৰি ক্ৰমানুসাৰে সজাইছে। ইয়াৰে প্ৰথম ভাগত অন্তৰ্ভুক্ত কৰিছে চিকাৰ পদ্ধতি, খৰাং বতৰ, খাদ্য-সম্ভাৰ, গছ-গছনি আৰু শাক-পাত, ঔষধ, ধৰ্মীয় ক্ৰিয়া-কাণ্ড, সংগঠন, সম্বোধন আদি, দ্বিতীয় ভাগত লোক বিশ্বাস, তৃতীয় ভাগত লোক উৎসৱ আৰু অনুষ্ঠান, চতুৰ্থ ভাগত লোক ক্ৰীড়া, পঞ্চম ভাগত বিবিধ লোক শিল্প, ষষ্ঠ ভাগত স্থাপত্য-ভাস্কৰ্য আৰু সপ্তম ভাগত লোক-সাহিত্য অন্তৰ্ভুক্ত কৰিছে।





দুলীয়াজান মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত থকা কিতাপখনি পঢ়ি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বহুতো তথ্য জানিব আৰু সংগ্ৰহ কৰিব পাৰিব।

## (c) Whitaker's World of Facts :

The book is a collective identity of every subject on Earth. It is a book on hundreds of new facts and photos keep up to date with the latest world record-breakers, the hottest new technologies and the biggest new achievements (and failures). The book helps the students to find out facts about today's biggest celebrities and the most important events that shape our world.


World of facts is divided into 20 Sections - Space, Planet, Earth, World History, Human body. It includes information on a huge range of subjects, from the solar system to the world's biggest and smallest populations, with data from authoritative sources. A section on countries gives essential facts




such as population, capital city and currency of every country in the world, as well as the flag of each one. Timelines on subjects such as telecommunication, astronomy, weapons and inventions give a useful overview and pinpoint major milestones. There is an extensive index at the back of the book, as well as a list of sources. The contents of the book are rich enough to encourage the readers to know more about the World of Facts. The collection will be a valuable resource for students and scholars of any field. The author of the book is Russel Ash and published by Penguin Books India, New Delhi.

### (d) Indian Youth in the New Millennium :

This is a research work on the Indian youth entering the third millennium, sponsored, financed and published by the Rajiv Gandhi National Institute of youth. Development, Sriperumbudur. This book is a valuable aid in this task by providing immense information on the various aspects of youth situation and development. In 14 chapters and three appendices, the book deals with an analysis of youth population, education, employment, health, sports and culture and




provides an account of laws and policies, schemes and programmes meant for youth and the role of civil society organisation. Law and justice pertaining to youth the situation of young women and disadvantaged youth and a note on the North-Eastern Region are also included.

By its wide coverage and clarity in presentation, this book offers a valuable source of information for Planners, policy makers, administrators, scholars, teachers, students and general readers. The book is available in the our library and all reader get valuable information form it.

## INFORMATION CORNER

### Digital Library of India :


Digital library of India (DLI) is a digital collection of freely accessible rare books collected from various libraries in India. DLI project started in early




2000 with the vision to archive all the significant literary, artistic and scintific works of mankind and to preserve digitally and make them available freely for every one over internet for education, study, appreciation and for future generations. The project was initiated by the office of the principal scintific advisor to government of India and subsequently taken over by the department of Electronics and Information Technology (Deity), Ministry of communication and information technology (MCIT), Govt. of India. The availability of online search allows users to locate relevant information quickly and reliably thus enhancing student's success in their research endeavours. Digital library of India has currently 550, 585 books with 191, 657, 791 pages (191.632 million approx.) in portable document format (PDF). This project is funded by the department of electronics and information technology, The ministry of communication and information technology (MCIT), Govt. of India. (http://www.dli.ernet.in)

## বিশ্ব গ্ৰন্থ দিৱস

প্ৰতি বছৰে এপ্ৰিল মাহৰ ২৩ তাৰিখৰ দিনটো UNESCO (United Nations Educational Scientific & Cultural Organisation)ৰ উদ্যোগত 'বিশ্ব গ্ৰন্থ দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। সংস্থাটিয়ে বিশ্ববৰেণ্য সাহিত্যিক উইলিয়াম শ্বেইক্সপীয়েৰৰ স্মৃতিত ১৯৯৫ চনৰ পৰা এই বিশেষ দিনটো গ্ৰন্থৰ দিনৰূপে পালন কৰি আহিছে।



শ্বেইক্সপীয়েৰৰ জন্ম আৰু মৃত্যুৰ দিন হৈছে ২৩ এপ্ৰিল। (২৩/৪/১৫৬৪-২৩/৪/১৬১৬) সেয়েহে সাহিত্যিক গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন তথা পঢ়ুৱৈ সমাজক গ্ৰন্থৰ প্ৰতি অধিক আগ্ৰহী কৰাই হৈছে উক্ত দিৱস পালনৰ মুখ্য উদ্দেশ্য।

## চিয়াহীৰ উদ্ভাৱন

লিখা-মেলাৰ ক্ষেত্ৰত কাগজ কলমৰ লগতে চিয়াহী হ'ল এক অবিচ্ছেদ্য অংগ। মানুহে লিখিবলৈ জনা হোৱাৰ পাছতে লিখাৰ অন্যতম উপাদান চিয়াহী প্ৰস্তুত কৰা পদ্ধতিৰ বিষয়েও চিন্তা-চৰ্চা আৰম্ভ কৰিলে। বিভিন্ন যুগত বিভিন্ন পদ্ধতিৰে মানুহে চিয়াহী তৈয়াৰ কৰিছিল।

ৰামায়ণ, মহাভাৰত যুগৰ আগৰেপৰাই ভাৰতত চিয়াহীৰ প্ৰয়োগ হৈছিল বুলি অনুমান কৰা হয়। ইজিপ্তত প্ৰায় আঢ়ৈ হাজাৰ বছৰ আগেয়ে চিয়াহী তৈয়াৰ কৰা হৈছিল বুলি জনা যায়। প্ৰাচীন কালত চীনা আৰু মিছৰীয় লোকসকলে এলান্ধু, পানী আৰু আঠাসদৃশ পদাৰ্থ মিহলাই চিয়াহী তৈয়াৰ কৰিছিল। চীনত খ্ৰীষ্টপূৰ্ব ২০০০ মানতে এই পদ্ধতিৰে চিয়াহী তৈয়াৰ কৰা হৈছিল বুলি জনা যায়। মধ্যযুগত ইউৰোপতো এলান্ধুৰপৰা চিয়াহী তৈয়াৰ কৰা হৈছিল বুলি প্ৰমাণ পোৱা যায়।



ভাৰত আৰু চীনত প্ৰথমে ৰঙীন চিয়াহী তৈয়াৰ হৈছিল। ছবি আঁকিবলৈ 'চীনা-চিয়াহী' নামৰ এবিধ ক'লা চিয়াহী ব্যৱহাৰ কৰা হয়, যাক 'ভেটো ইংক' বুলিও জনা যায়। চীন, জাপান আৰু ভাৰতত এই চিয়াহী ছবি আঁকিবলৈ ব্যৱহাৰ কৰা হয়।

মানুহে বিভিন্ন ধাতুৰপৰা চিয়াহী তৈয়াৰ কৰাৰ কৌশল চতুৰ্থ শতিকাৰ পৰাই আয়ত্ত কৰে। সেই সময়ত ফেৰাছ ছালফেটৰ নিচিনা খনিক লোৰ লগত এছিড মিহলাই ক'লা আৰু নীলা ৰঙৰ চিয়াহী তৈয়াৰ কৰা হৈছিল। অ'ক জাতীয় গছৰ আঠাত থকা টেনিক এছিড আৰু নীলগছৰ ৰস লো মিহলি পানীৰ লগত মিহলাই প্ৰস্তুত কৰা ক'লা ৰঙৰ চিয়াহী হ'ল আধুনিক ক'লা চিয়াহীৰ মূল ভিত্তি।

১৪ শতিকাৰ মাজভাগত জাৰ্মানীত য়'হান গুটেনবাৰ্গ (Johann Gutenberg) নামৰ মুদ্ৰাকৰজনে প্ৰথম মুদ্ৰণ চিয়াহী উদ্ভাৱন কৰিছিল। কিন্তু তেতিয়ালৈকে আধুনিক পদ্ধতিৰে লিখা চিয়াহী প্ৰস্তুত কৰিব পৰা হোৱা নাছিল। ১৮৩৪ চনত ইংলেণ্ডত হেনৰি ষ্টিফে'নছে (Henry Stephens) প্ৰথম লিখা চিয়াহীৰ আধুনিক উৎপাদন আৰম্ভ কৰে।

পেট্ৰলিয়াম পদাৰ্থৰ উৎপাদনত পোৱা প্ৰাকৃতিক গেছক পুৰিলে ক'লা কাৰ্বন উৎপন্ন হয়। এই ক'লা কাৰ্বনে (Carbon Black) হ'ল চিয়াহী তৈয়াৰ কৰাৰ প্ৰথম কেঁচা মাল। ইয়াৰ লগত মিহলোৱা হয় আন এবিধ পেট্ৰলিয়ামজাত দ্ৰব্য ৰেজিন বা ৰেজিন জাতীয় পদাৰ্থ। এনে ধৰণৰ সংশ্লেষিত পদ্ধতিৰে চিয়াহী তৈয়াৰ কৰা পদ্ধতি প্ৰথম জাৰ্মানী আৰু ইংলেণ্ডত ১৮৬০ চনত আৰম্ভ হয়।


**সংগ্ৰহ ঃ**

১) *(http://www.dli.ernet.in)*

২) *নিয়মীয়া বাৰ্তাৰ দেওবৰীয়া বিচিত্ৰা*
*প্ৰবন্ধ ঃ কিতাপৰ দিন, ড° অঞ্জনা চৌধুৰী শইকীয়া*

৩) *বিশ্বকোষ, তৃতীয় খণ্ড (পৃষ্ঠা নং ১৬৯৫-১৬৯৬)*

# কেৰিয়াৰ গাইড পৃষ্ঠা

## স্নাতকৰ পাছত কৰিব পৰা কেইটামান বৃত্তিমুখী স্নাতকোত্তৰ পাঠ্যক্ৰম।

**১। একোমোডেচন অপাৰেচন মেনেজমেণ্ট (Accomodation Operation Management) ঃ**

ভাৰতৰ বিভিন্ন ৰাজ্যত থকা ইনষ্টিটিউট অৱ হোটেল মেনেজমেণ্ট, কেটাৰিং টেকন'ল'জি এণ্ড এপ্লাইড নিউট্ৰিচনৰ প্ৰতিষ্ঠানত এই পাঠ্যক্ৰম পঢ়িব পৰা যায়। ইয়াৰ বাবে প্ৰত্যেক বছৰে মে', জুন মাহত নামভৰ্তিৰ বাবে আবেদন বিচাৰি প্ৰায়বোৰ বাতৰি কাকততে বিজ্ঞাপন প্ৰকাশিত হয়।

**শিক্ষাগত অৰ্হতা ঃ** যিকোনো শাখাৰ স্নাতক

**যোগাযোগৰ ঠিকনা ঃ** Institute of Hotel Management, VIP Road, Borbari, Hengrabari, (Opp. Doordarshan Quarter) Guwahati - 781036.

**২। হেলথ্ এণ্ড ছেনিটেচন টেকন'ল'জি ঃ**

এই পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছত প্ৰাৰ্থীয়ে বিভিন্ন চৰকাৰী, অৰ্ধ-চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠান, এন.জি.অ'. আদিত ছেনিটাৰী ইন্সপেক্টৰ, ফুড ইন্সপেক্টৰ, ফেমিলি ৱেলফেয়াৰ ৱৰ্কাৰ, হেলথ্ ইন্সপেক্টৰ, এছিষ্টেট হেলথ্ ভিজিটৰ, পেৰামেডিকেল পাৰ্ছনেল আদি পদত নিযুক্তি পাব পাৰি।

**শিক্ষাগত অৰ্হতা ঃ** এই পাঠ্যক্ৰমৰ বাবে প্ৰাৰ্থী যিকোনো শাখাৰ স্নাতক হোৱা আৱশ্যক।

**যোগাযোগৰ ঠিকনা ঃ** Institute of Public Health & Hygene, 95 Krishna Nagar (Street No. 5) P.O. Safdarjang enclave. New Delhi - 110029.

**৩। টি টেকনোলজি (Tea Technology) ঃ**

এই শিক্ষায়তনত নামভৰ্তিৰ বাবে প্ৰাৰ্থী বিজ্ঞান শাখাৰ স্নাতক হোৱাৰ লগতে কোনো চাহ বাগিচাৰ হৈ আবেদন কৰিব লাগে।

**যোগাযোগৰ ঠিকনা ঃ** Dibrugarh University, Dibrugarh.

- Director, Kothani Agricultural Management Centre, Sona Bogh. Singara Estate Cooloor 643107. The Nilgiris, Tamil Nadu.
- Tochlai Experimental Station, TRA Jimkhana, Jorhat.
- Assam Agricultural University, Jorhat.
- North Bengal University, Darjiling - 734013. www.nbu.ac.in
- Indian Institute of plantation Management Jyar Bharti Campus. Post. Office - Malathalli, Bengaluru - 560056.
- NITM, Darjeeling Tea Research & Management Association, Kadamtala - 734433, Darjeeling.

**৪। পেকেজিং ডিজাইনিং (Packaging Designing) ঃ**

**শিক্ষাগত অৰ্হতা ঃ** এই পাঠ্যক্ৰমত ভৰ্তি হ'বলৈ প্ৰাৰ্থী বিজ্ঞান শাখাত ৰসায়ন বিজ্ঞান আৰু গণিতসহ স্নাতক অথবা ইঞ্জিনিয়াৰিঙৰ স্নাতক হোৱাৰ আৱশ্যক। তদুপৰি প্ৰাৰ্থীসকলৰ নামভৰ্তিৰ পৰীক্ষা আৰু শ্ৰেণীৰ ফলাফলৰ ভিত্তিত ২৫ শতাংশ ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়াৰ ব্যৱস্থা আছে।


**আবেদনৰ নীতি-নিয়ম ঃ** প্ৰতিবছৰৰ মে'-জুন মাহত এই শিক্ষায়তনত নামভৰ্তিৰ বাবে আবেদন প্ৰ-পত্ৰ বিচাৰি বিজ্ঞাপন প্ৰকাশিত হয়। নিৰ্দিষ্ট প্ৰ-পত্ৰৰ লগত শিক্ষাগত অৰ্হতা প্ৰমাণ পত্ৰ হিচাপে মাৰ্কশ্বিট আৰু চাৰ্টিফিকেটৰ প্ৰত্যায়িত নকল গাঁঠি দিয়া আৱশ্যক। প্ৰতি বছৰৰ জুলাই মাহত নামভৰ্তিৰ বাবে বিভিন্ন কাৰ্যালয়ত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হয়। প্ৰৱেশ পৰীক্ষা দুই ধৰণৰ ঃ লিখিত পৰীক্ষা আৰু মৌখিক পৰীক্ষা।


**ইণ্ডিয়ান ইনষ্টিটিউট অব পেকেজিঙ'ৰ বিভিন্ন কেন্দ্ৰ**


- Indian Institute of Packaging, Plot E 2, MIDC Area, Sakala, Andheri (East), Mumbai 400093. (মুখ্য কাৰ্যালয়)
- Indian Institute of Packaging, IB, First Man Road, Gandhinagar, Adiar, Chennai 600020.
- Indian Institute of Technology, B 28-29, Flated Factories Complex, Jhandelwalan, Rani Jhansi Road, New Delhi 110055.
- Indian Institute of Technology, Block CP, Sector 5, Saltlake City, Kolkata 700091.

*মাহেকীয়া কেৰিয়াৰ গাইডৰ সহায়ত।*

## Some Special Collection of Library
























## DONATION PAGE :

We are very pleased and thankful to you as your great effort to enrich our library and encourage us to move forward.

1. Sri Hemanta Das
   Associate Prof.
   Deptt. of Sociology
   Duliajan College
   (Subject related books 21Nos.)



2. Mrs. J. S. Pathak
   Associate Prof.
   Deptt. of English
   Duliajan College
   (Competitive exam.
   related books 8Nos.)



3. Mrs. Banadevi Patowari
   Assistant Prof.
   Deptt. Zoology
   Duliajan College
   (Subject related books 7Nos.)



4. Dr. Minakshi Dutta Barman
   Assistant Prof.
   Deptt. of Assamese
   Duliajan Girls College
   (Reference books 2Nos.)

5. Sri Dilip Gohain
   Duliajan College
   (Subject related books 5Nos.)



6. Mrs. Labanya Gogoi
   Nawholia
   Duliajan
   (Reference books 2Nos.)



7. Sartirtha Gyanyatra
   Guwahati
   (Reference books 12Nos.)

নজনাটো লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটোহে লাজৰ কথা।

বেঞ্জামিন ফ্ৰেংকলিন

# কৃতজ্ঞতা জ্ঞাপন



স্বৰ্গীয় শিৱকুমাৰ বৰগোহাঁই
(১৯৭৭-১৯৯৮)



শ্ৰীযুতা মালাৰাণী বুঢ়াগোহাঁই
(১৯৭৮-২০১২)

দুলীয়াজান মহাবিদ্যালয়ৰ পুথিভঁৰালটিৰ অতি চালুকীয়া অৱস্থাতে ১৯৭৭ চনত স্বৰ্গীয় শিৱকুমাৰ বৰগোহাঁইদেৱ গ্ৰন্থাগাৰিক আৰু ১৯৭৮ চনত শ্ৰীযুতা মালাৰাণী বুঢ়াগোহাঁই বাইদেউৱে গ্ৰন্থাগাৰৰ সহায়ক হিচাপে যোগদান কৰিছিল। ৰাইজৰ অৱদানেৰে আৰম্ভ হোৱা পুথিভঁৰালটিৰ দায়িত্বভাৰ লৈ তেখেতসকলে অশেষ যত্নৰে এটা কোঠালিতে এটি পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থাগাৰলৈ ৰূপান্তৰ কৰি পঢ়ুৱৈ সকলক পঢ়া শুনাৰ সুবিধা দিবলৈ যত্ন কৰিছিল। তেখেতসকলৰ এই আশাশুধীয়া চেষ্টাৰ ফলতে পুথিভঁৰালটিয়ে আজিৰ এই পৰ্যায়ত উপনীত হোৱাত যথেষ্ট সহায় কৰিছে। বৰগোহাঁইদেৱে সফলতাৰে ২১ বছৰীয়া কৰ্মজীৱনৰ সামৰণি মাৰি ১৯৯৮ চনৰ মে'ত অৱসৰ গ্ৰহণ কৰিছিল।

গোহাঁইদেৱৰ অৱসৰৰ পিছত মালা বাইদেউৱে সম্পূৰ্ণ দুটা বছৰ (১৯৯৮-২০০০) গ্ৰন্থাগাৰটিৰ দায়িত্ব গ্ৰহণ কৰি অতি সুচাৰুৰূপে পৰিচালনা কৰিছিল আৰু একোঠলীয়া পুথিভঁৰালটিক নতুনকৈ নিৰ্মাণ কৰা গ্ৰন্থাগাৰ গৃহটিলৈ স্থানান্তৰ কৰি এক নতুন মাত্ৰা প্ৰদান কৰিছিল। নতুন গ্ৰন্থাগাৰিকে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতো অতি দায়িত্বশীলভাৱে তেখেতে নিজৰ কৰ্তব্য পালন কৰি ২০১২ চনৰ নৱেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰিছিল।

আজিৰ এই শুভকাৰ্যৰ শুভক্ষণত আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটিৰ জন্মলগ্নৰে পৰা অনবদ্য বৰঙণিৰে সেৱা আগবঢ়োৱা প্ৰাক্তন কৰ্মচাৰী স্বৰ্গীয় শিৱকুমাৰ বৰগোহাঁইদেৱ আৰু শ্ৰীযুতা মালাৰাণী বুঢ়াগোহাঁই বাইদেউক সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

## PRESENT LIBRARY COMMITTEE MEMBERS & STAFF




*Library Committee Members*

***President :***
Dr. Surendra Nath Gogoi, Principal, ic

***Convenor :***
Mrs. Mondira Chutia

***Members :***
a) Dr. Likhan Ch. Borah
b) Prof. Hemanta Das
c) Mrs. Jyotimali Mahanta
d) Prof. Parag Saikia



*Library Staff*

***Librarian :***
Mrs. Mondira Chutia

***Library Attendant :***
Mrs. Deepa Gohain
Miss Santana Borgohain
Sri Ajoy Ch. Dey

## *Learning Resources of the Library :*

**(a) Books (Text and Reference) Collection** = 20,679 Nos.

**(b) Rare Book Collection** = 617 Nos.

**(c) Current Journal and Magazine** = 26 Nos.

1. Indian Jr. of Marketing.
2. Indian Jr. of Finance.
3. University News.
4. Competition Affairs.
5. Resonance.
6. Proff. Jr. of Lib. & Information Technology.
7. Indian Jr. of Eco. & Research.
8. Economic & Political Weekly.
9. Science Reporter.
10. Management Research.
11. Indian Jr. of Pure & Applied Chemistry.
12. Indian Jr. of Physics.
13. Ecology Environment & Conservation.
14. India Today.
15. Keriyarguide.
16. Front line.
17. Competition Refresher.
18. Prantik.
19. Gariyashi.
20. Desh.
21. Chintan - Srijan.
22. The Heritage.
23. Bijnan Jeuti.
24. Chirantan Chintan.
25. Progyajyoti.
26. Research Process
27. Natun Ninad

**(d) E-Resource from N-List**

1. E-Journal (Full Text) = 6237+ Nos.
2. E-Books = 31,35,809+ Nos.

**(e) Journal and Magazine (Back Vol. Binding)** = 500 Nos.

**(f) Daily Newspaper** = 06 Nos.

1. Dainik Janambhumi.
2. Niyomiya Barta.
3. The Assam Tribune.
4. The Telegraph.
5. Purvanchal Prahari.
6. Anandabazar Patrika.
7. The Sentinel




আপুনি জ্ঞানী হ'লেও কালিলৈ কি হ'ব আপুনি নাজানে, অনুমানো কৰিব নোৱাৰে;
সেইবাবে আজিৰ দিনটো অবাবত নকটাব, কাৰণ ই আৰু কদাপি ঘূৰি নাহে।

\- ওমৰ খায়াম